# প্ৰাৰম্ভিক পৰিৱেশ সম্বন্ধীয় পৰীক্ষন

তথ্যৰ পৰ্য্যয়ঃ সংশোধিত

প্ৰকল্প নম্বৰঃ ৪২২৬৫-০২৩

IND: অসম পৌৰ আন্তঃগাথনি বিনিয়োগ

কৰ্ম আঁচনি- প্ৰকল্প ১: ডিব্ৰুগড় জলনিষ্কাশন ব্যৱস্থা উপপ্ৰকল্প

ডিব্ৰুগড় নগৰ ৰক্ষনাবেক্ষন(DTP)নলাৰ নিৰ্মানকাৰ্য্য বক্স কালভাৰ্ট আৰু শৃংখলা ০ ৰ পৰা ৯৫০০M লৈ সন্মিলিত কাৰ্য্য ডিব্ৰুগড়

প্ৰস্তুতঃ গুৱাহাটী উন্নয়ন বিভাগ আৰু পৌৰ উন্নয়ন বিভাগ,

# সংক্ষিপ্ত কাৰ্য্যকৰী বিৱৰন

১) অসম চৰকাৰৰ অধীনত অসম পৌৰ আন্তঃগাথনি বিনিয়োগ কৰ্ম আঁচনি পৌৰ আন্তঃগাথানিৰ চাবি কাঠী স্বৰূপ আৰু উন্নত মানৰ পানী যোগান আচঁনি, অনাময় ব্যৱস্থা, বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা, নৰ্দমাৰ আন্তঃগাথনিৰ লগতে অনুকূল পৌৰ পৰিবহন ব্যৱস্থা আদিৰ উন্নতিকৰনেই হ'ল ইয়াৰ মূল উদ্দেশ্য । উক্ত কৰ্মঅঁচনি খনৰ বাবে ব্যৱহাৰ কৰা হৈছে multi financing facility অৰ্হি যিটো আচঁনি ৫ বছৰ ২০১২ৰ পৰা ২০১৭ৰ বাস্তৱায়িত হৈ আহিছে । এই ব্যবস্থাৰ অধীনত গুৱাহাটী মহানগৰীৰ পানী যোগান আঁচনি পয়ঃপ্ৰনালী, তথা ডিব্ৰুগড় মহানগৰীৰ জলনিস্কাশন ব্যৱস্থা, বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা আৰু অন্যান্য প্ৰয়োজনীয় সেৱা সমূহ চিনাক্তকৰন কৰা হৈছে ।

২) এই কৰ্ম আঁচনি খনৰ প্ৰধান লক্ষ্য সমূহ হ'ল – ক) গুৰহাটী মহানগৰীৰ পানী যোগান ব্যৱস্থা, অনাময় ব্যৱস্থা আৰু খ) ডিব্ৰুগড় মহানগৰীৰ বাবে বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা তথা জলনিস্কাশন ব্যৱস্থা।

৩) অসম চৰকাৰৰ অধীনস্থ গুৱাহাটী উন্নয়ন বিভাগে উক্ত কৰ্মআঁচনিৰ কাৰ্য্যনিৰ্বাহক অনুষ্ঠান । ৰাজ্যিক পৰ্য্যায়ৰ এগৰাকী পূৰ্ণকালীন প্ৰকল্প নিৰ্দেশক তথা pmu ৰ সহযোগত গঠিত কাৰ্য্যনিৰ্বাহক অনুস্থানটোৱে উক্ত কৰ্ম আঁচনিৰ কাৰ্যকৰীকৰন কাৰিকৰী তত্বাৱধান পৰিদৰ্শন তথা বিত্তীয় ব্যৱস্থাৰ দায়িত্ব গ্ৰহন কৰিব । গুৱাহাটী অৰু ডিব্ৰুগড় মহানগৰীৰ উন্নয়নৰ বাবে লোৱা এই কৰ্ম আঁচনিখনৰ বাবে নিয়োজিত প্ৰকল্প পৰিচালনা গোট সমূহ এজন কাৰিকৰী তথা অভিজ্ঞ্য বিষয়াৰ সহযোগত পৰিচালিত হ'ব।

৪) উক্ত প্ৰকল্পৰ অৰ্ন্তভূক্ত উপপ্ৰকল্প সমূহৰ ফলত উদ্ভৱ হ'ব পৰা নেতিবাচক পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱৰ পৰা ৰক্ষনাবেক্ষনৰ সম্পূৰ্ণ দায়িত্ব হ'ব pmu ৰ। piu ৰ বাবে এগৰাকী পাৰিপাৰ্শ্বিক বিষয়া আৰু পূৰ্ণবন্দবস্ত বিষয়া নিয়োজিত হ'ব যাৰ দায়িত্ব হ'ব পাৰিপাৰ্শ্বিক নিৰীক্ষণৰ, পাৰিপাৰ্শ্বিক ব্যবস্থাপনা তথা পূৰ্ণবন্দোবস্ত আঁচনিৰ কাৰ্যকৰীকৰণ কৰা। নিৰ্মানকাৰ্য্যৰ সময়ছোৱাত PIUৰ দ্বাৰা সম্পাদিত উপপ্ৰকল্পৰ প্ৰাৰম্ভিক পাৰিপাৰ্শ্বিক পৰীক্ষন সমূহ বিশদভাৱে তদাৰক তথা পৰিচালনা কৰিবলৈ এজনকৈ অভিজ্ঞ্য পৰিৱেশ বিশেষজ্ঞ ৰূপাংকন আৰু তদাৰকী পৰামৰ্শদাতাক দলৰ অংশীদাৰ হিচাবে নিয়োজিত কৰা হয়।

৫) প্ৰাৰম্ভিক পাৰিপাৰ্শ্বিক নিৰীক্ষন প্ৰণালীটো ডিব্ৰুগড় মহানগৰীৰ ক) উন্নতমানৰ ০ ৰ পৰা ৯৫০০ মিটাৰ পৰ্যন্ত RCC নৰ্দমাৰ নিৰ্মান খ) ১৭টা বক্স কালভাৰ্টৰ নিৰ্মান তথা গ) আৱৰ্জনা নিষ্কাশনৰ বাবে পাম্পৰ নিৰ্মানৰ বাবে ব্যৱস্থা লোৱা হৈছে। উক্ত নিৰ্মানকাৰ্য ২০১৪ ত আৰম্ভ কৰা হ'ব আৰু ৩৬ মাহৰ সময়সীমাৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব।

৬) উন্নতমানৰ নৰ্দমা নিৰ্মান প্ৰকল্পৰ জৰিয়তে ডিব্ৰুগড় মহানগৰীৰ নাগৰিক সকল তলত দিয়া ধৰণে লাভান্বিত হ'ব-

ক) উন্নতমানৰ পৰিৱেশ, জীৱনশৈলী তথা উন্নতমানৰ জনস্বাস্থ্য ব্যৱস্থা।

খ) বানপানীৰ বাবে হোৱা ঘৰুৱা সামগ্ৰীৰ নাটনি, আবদ্ধ পানী তথা আশ্ৰয়জনিত সমস্যাৰ পৰা ৰেহাই।

গ) নিৰাপত্তাজনিত কাৰনত হোৱা বাৰ্ষিক ব্যয়ৰ পৰা ৰেহাই।

ঘ) কৃষি বিষয়ক লোকচানৰ পৰা ৰেহাই পোৱাৰ লগতে যাতায়ত ব্যৱস্থাৰ উন্নতকৰনৰ বাবে হ'বলগীয়া আৰ্থিক ব্যয়ৰ পৰা ৰেহাই পোৱা।

৭) উপপ্ৰকল্প সমূহৰ পৰা উদ্ভৱ হ'ব পৰা পৰিৱেশ সম্বন্ধীয় প্ৰভাৱৰ বাবে কোনো ধৰণৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহন কৰা নহয় যিহেতু প্ৰকল্প সমূহৰ কোনো ধৰণৰ সংৰক্ষিত বনাঞ্চল, জলাশয় অথবা নদ-নদীৰ উপকূলত অৱস্থিত নহয়। উপ্ৰকল্প সমূহ বিশেষকৈ পূৰ্বস্থিত নৰ্দমা অথবা নগৰীয়া পৰিৱেশৰ অভ্যন্তৰত কাৰ্য্যকৰীকৰণ কৰা হয়।

৮) উপপ্ৰকল্প কাৰ্য্যকৰীকৰণৰ ফলত সৃষ্টি হোৱা পৰিৱেশ সংক্ৰান্তীয় প্ৰভাৱ সমূহ IEEৰ অৰ্ন্তভূক্ত তথা তথ্য সম্বলিত কৰা হয়। নিৰ্মানকাৰ্য্যৰ সময়ছোৱাত উদ্ভৱ হোৱা প্ৰভাৱসমূহ মূলতঃ তলত দিয়া কাৰকসমূহৰ ফলাফল --

ক) বুজন পৰিমানৰ বৰ্জিত মাটি নিষ্কাষিত পলসৰ বিন্যস্ত কৰাৰ প্ৰয়োজনীয়তা।

খ) নিৰ্মানকাৰ্যৰ ফলত সাধাৰণ জনবসতিপূৰ্ণ অঞ্চল, ব্যৱসায়, পৰিবহন তথা বিভিন্ন ধৰণৰ গুৰুত্বপূৰ্ণ কাৰ্য্যালয়ৰ কাম-কাজত ব্যাঘাত জন্মা। প্ৰকল্প সমূহৰ ফলত উদ্ভৱ হোৱা বিভিন্ন ধৰণৰ নেতিবাচক ফলাফল সমূহৰ বাবে বিভিন্ন ধৰণৰ প্ৰতিৰোধ মূলক ব্যৱস্থা গ্ৰহন কাৰ হয়। প্ৰতিৰোধ মূলক ব্যৱস্থা সমূহ প্ৰধানতঃ ৰূপাংকন অভিযন্তাৰ লগত আলোচনা কৰা হয় আৰু তাৰ ফলস্বৰূপে উপযুক্ত প্ৰতিৰোধ মূলক ব্যৱস্থা সমূহ পাৰিপাৰ্শ্বিক ব্যৱস্থাপনা পৰিকল্পনা (EMP)ত প্ৰকাশ কৰা হয়।

৯)ডিব্ৰুগড় মাহানগৰীৰ আন্তঃগাথনি কাৰ্যকৰীকৰণৰ সময়ছোৱাত খনন কাৰ্য্য তথা নৰ্দমাসমূহৰ নিকাকৰণৰ ফলত উদ্ভৱ হোৱা পৰিৱেশ সমস্যাসমূহ ৰুটিন তত্ত্বাৱধানৰ জৰিয়তে নিয়ন্ত্ৰিত কৰা হয়। নৰ্দমাৰ শৃংখলাসমূহ নিয়মীয়াকৈ মেৰামতি কৰা হ'ব যদিও তাৰ ফলত হোৱা প্ৰভাৱ সমূহৰৰ পৰিমান যথেষ্ঠ কম হ'ব যিহেতু নিৰ্মান কাৰ্য্য অনিয়মীয়া ব্যৱস্থাৰে পৰিচালিত হ'ব।

১০) EMP খন IEE ৰ এটা অংশ হিচাপে সামৰি লোৱা হৈছে যাৰ অন্তৰ্গত-

ক) নিৰ্মানকাৰ্য্যৰ ফলত সৃষ্টি হোৱা পাৰিপাৰ্শ্বিক প্ৰভাৱৰ বৱে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহন কৰা।

খ)পৰিৱেশ পৰিদৰ্শনৰ বাবে লোৱা পদক্ষেপ তথা কাৰ্য্য-বিবৰণী।

গ)জনসাধাৰণৰ মতামত আৰু তথ্যৰ প্ৰকাশকৰণ।

ঘ) অভিযোগ সংশোধনী ব্যৱস্থা পৰিচালনা কৰা।

১১) নিৰ্মানকাৰ্য্যৰ সময়ছোৱাত সৃষ্টি হোৱা পৰিৱেশৰ লগত মোকোবিলা কৰিবলৈ পৰিৱেশ নিদৰ্শন আঁচনিৰ যোগেদি লবলগীয়া প্ৰতিৰোধমূলক ব্যৱস্থা সমূহ নিশ্চিত কৰা হয়। উক্ত ব্যৱস্থা সমূহৰ যোগেদি নিৰ্মানকৰ্মী সমূহৰ লগতে হিতাধিকাৰী সাক্ষাৎকাৰ লোৱা তথ্যৰ নিৰীক্ষন তথা নিৰ্মানস্থলীৰ পৰ্য্যবেক্ষন আদিৰ কাম কৰা হয়।

১২) IEE ৰ উন্নয়নৰ বাবে জনসাধৰণৰ মতামত তথা অংশীদাৰ সকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। ইয়াৰ যোগেদি IEE ৰ উন্নয়ন আৰু কাৰ্য্য-পৰিকল্পনাৰ বিষয়ে মত প্ৰকাশ কৰা হয়। প্ৰাৰম্ভিক পাৰিপাৰ্শ্বিক নিৰীক্ষণৰ সম্পূৰ্ণ কাৰ্য্যাৱলী তথা পদক্ষেপ সমূহ জনসাধাৰনৰ স্বাৰ্থত অসমীয়া ভাষাত

ক) ULB কাৰ্য্যালয়

খ) জিলা দন্ডাধীশ কাৰ্য্যালয় আৰু

গ) PMU ত উপলব্ধ হ'ব।

জনসাধাৰনৰ পৰিৱেশ উন্নয়নৰ সজাগতাৰ হকে উক্ত প্ৰকল্পৰ তথ্যসম্বলি কাকত সমূহ বিভিন্ন ধৰণৰ চৰকাৰী সমূহত সহজতে উপলব্ধ হ'ব যাৰ জৰিয়তে সমাজৰ সকলো পৰ্য্যায়ৰ লোক এই আঁচনিৰ লগত জড়িত হ'ব পাৰিব। তাৰোপৰি উক্ত প্ৰকল্পৰ চৰকাৰ তথা ADB ৰ দ্বাৰা অনুমোদিত ইলেকট্ৰনিক সংস্কৰণ এটা PMU আৰু ADBৰ চৰকাৰী ৱেবচাইটত প্ৰকাশিত হ'ব।

১৩) সেয়েহে প্ৰস্তাবিত উপপ্ৰকল্পটোৱে তাৎপৰ্যপূৰ্ণ প্ৰতিকূল প্ৰভাৱ বিস্তাৰ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। উক্ত প্ৰকল্পটোৰ প্ৰাপ্তিৰ আধাৰত ইয়াক B শ্ৰেণীৰ প্ৰকল্প ইচাপে নিশ্চিত কৰা হোৱাৰ লগতে ADB SPS(2009) ৰ আধাৰত উক্ত প্ৰকল্পটোৰ কোনোধৰণৰ বিশেষ অধ্যয়ন আৰু পাৰিপাৰ্শ্বিক প্ৰভাৱৰ মূল্যাংকণৰ বিশদ আলোচনাৰ প্ৰয়োজনীয়তা নাই বুলি উল্লেখ কৰা হ'ল।